# অটল পেঞ্চন যোজনা (এ.পি.ৱাই)- গ্ৰাহক তথ্য পুস্তিকা

- এ.পি.ৱায়ে ভাৰত চৰকাৰে নিশ্চয়তা প্ৰদান কৰা ৬০ বছৰৰ বয়স প্ৰাপ্ত কৰাৰ পিছৰ প্ৰতিমাহে ১০০০, ২০০০, ৩০০০, ৪০০০ আৰু ৫০০০ টকাৰ নিম্নতম মাহেকীয়া পেঞ্চনৰ বিকল্প আগবঢ়ায়।
- গ্ৰাহকগৰাকী এগৰাকী ভাৰতীয় নাগৰিক হ'ব লাগিব। গ্ৰাহকগৰাকীৰ বয়স এ.পি.ৱাইত যোগদান কৰাৰ সময়ত ১৮-৪০ বছৰৰ ভিতৰত হ'ব লাগিব।
- গ্ৰাহকে এটা বেংকৰ শাখা?ডাক-ঘৰ( উপলব্ধতা অনুসৰি অনলাইন/ অফলাইন ধৰণে)ৰ যোগেদি এ.পি.ৱাইত যোগদান কৰিব পাৰে।
- এ.পি.ৱাই একাউন্টত মনোনীত ব্যক্তি আৰু জীৱনসংগীৰ সৱিশেষ যোগান ধৰাটো বাধ্যতামূলক।
- অৰিহণাসমূহ ছেভিংছ বেংক একাউন্টৰ পৰা অট' ডেবিট সুবিধাৰ জৰিয়তে মাহেকীয়া, ত্ৰিমাসিক বা ছমহীয়া পদ্ধতিত কৰিব পাৰি।

**এ.পি.ৱাইৰ অধীনত PRAN, লেন-দেনৰ খতিয়ান আৰু অৰিহণা**

- লেন-দেনৰ খতিয়ান আৰু PRAN কাৰ্ড যিকোনো সময়ত যিকোনো স্থানৰ পৰা বিনামূলীয়াকৈ *www.npscra.nsdl.co.in*>>হোম>>অটল পেঞ্চন যোজনা>>এ.পি.ৱাই e-PRAN/ট্ৰেঞ্জেকছন ষ্টেটমেন্ট ভিউলৈ গৈ চাব আৰু ছপা কৰিব পাৰি।
- গ্ৰাহকসকলে *https://enps.nsdl.com/eNPS/APYRePrintPRAN.html*>>অটল পেঞ্চন যোজনা>>প্ৰিন্ট এ.পি.ৱাই PRAN কাৰ্ড ৱেবছাইটত প্ৰয়োজনীয় ধনৰাশি পৰিশোধ কৰাৰ পিছত কায়িক PRAN card জাৰী কৰাৰ বাবে অনুৰোধ জনাব পাৰে।
- অটল পেঞ্চন যোজনাত নাম পঞ্জীয়ন কৰাৰ পিছত পঞ্জীভূক্ত ঠিকনাত অৰ্থাৎ অটল পেঞ্চন যোজনাত নাম পঞ্জীয়ন কৰাৰ পিছত গ্ৰাহক এগৰাকীয়ে প্ৰদান কৰা ঠিকনাত বছৰত এবাৰকৈ শাৰীৰিক লেন-দেনৰ বিবৃতি প্ৰেৰণ কৰা হ'ব।
- এ.পি.ৱাই একাউন্ট/অৰিহণাৰ বিষয়ে সকলোবোৰ প্ৰশ্ন কেৱল এ.পি.ৱাই-এছ.পি শাখাত বা চি.জি.এম.এছৰ জৰিয়তে কৰিব লাগে।
- অৰিহণাৰ স্থিতিৰ বিষয়ে তথ্যসমূহ CRA-NSDL-অৰ দ্বাৰা পৰ্য্যাবৃত্ত এছ,এম.এছ এলাৰ্টৰ দ্বাৰা গ্ৰাহকগৰাকীৰ পঞ্জীয়নভূক্ত মোবাইল নম্বৰত অৱগত কৰোৱা হ'ব।

**এ.পি.ৱাইৰ অধীনত গ্ৰাহকৰ সৱিশেষৰ সংশোধনী**

- গ্ৰাহকে এ.পি.ৱাই গ্ৰাহক সংশোধনী প্ৰপত্ৰত প্ৰত্যাশিত সাল-সলনিসমূহ পূৰণ কৰিব লাগিব আৰু ইয়াক ঠিকনা, ফোন নম্বৰ ইত্যাদিৰ দৰে ব্যক্তিগত তথ্যৰ সংশোধনৰ বাবে প্ৰয়োজনীয় নথিপত্ৰৰ সৈতে এ.পি.ৱাই-এছ.পি শাখাত জমা দিব লাগিব। প্ৰপত্ৰখন অনলাই যোগে https://www.npscra.nsdl.co.in/nsdl-forms.php যোগে ডাউনলড কৰিব পাৰি।
- অৰিহণাৰ সঘনতাৰ পৰিৱৰ্তনবোৰ যেনে ত্ৰৈমাসিক অৰিহণাৰ পৰা মাহেকীয়া অৰিহণালৈ বা ছমহীয়া অৰিহণাৰ পৰা ছমহীয়া অৰিহণালৈ ইত্যাদি এ.পি.ৱাই গ্ৰাহকগৰাকীয়ে এ.পি.ৱাই-এ.পি শাখাত লিখিত অনুৰোধ জমা দিয়াৰ পিছত কৰিব পৰা যায়।

**পেঞ্চনৰ পৰিমাণ বঢ়োৱা /কমোৱা**

- এ.পি.ৱাই গ্ৰাহকসকলে তেওঁলোকৰ পেঞ্চনৰ পৰিমাণ এটা বিত্তীয় বৰ্ষত এবাৰ কৰিব পাৰে।
- এই বৈশিষ্টটোৱে গ্ৰাহকগৰাকীক চয়ন কৰা নিশ্চিত পেঞ্চনৰ পৰিমাণ অনুসৰি জমা কৰিব লগীয়া/ ঘূৰাই পাবলগীয়া প্ৰভেদমূলক ধনৰাশি পৰীক্ষা কৰাৰ বাবে সক্ষম কৰে।
- বঢ়োৱাৰ ক্ষেত্ৰত উচ্চতৰ ধনৰাশি জমা দিব লাগিব আৰু কমোৱাৰ ক্ষেত্ৰত অতিৰিক্ত অৰিহণাসমূহ গ্ৰাহকক ঘূৰাই দিয়া হ'ব।
- বছৰৰ যিকোনো সময়তেই ৰৱাৰকৈ সাল-সলনিৰ সুবিধা উপলব্ধ যাৰ বাবে https://www.npscra.nsdl.co.in/ >>হোম>>অটল পেঞ্চন যোজনা>>ফৰ্মছ>>ছাবস্ক্ৰাইবাৰ মেইন্টেনেঞ্চ>> ছাবস্ক্ৰাইবাৰ ম'ডিফিকেছন ফৰ্মত উপলব্ধ "এ.পি.ৱাই গ্ৰাহক সংশোধন প্ৰপত্ৰ" এ.পি.ৱাই এছ.পি শাখাত জমা দিব লাগিব। পেঞ্চনৰ পৰিমাণ বেছি কৰাৰ অৰ্থ হৈছে এগৰাকী গ্ৰাহকৰ পেঞ্চনৰ পৰিমাণ বৃদ্ধি কৰা আৰু পেঞ্চনৰ পৰিমাণ কম কম কৰাৰ অৰ্থ হৈছে গ্ৰাহক এগৰাকীৰ পেঞ্চনৰ পৰিমান হ্ৰাস কৰা।

**এ.পি.ৱাইৰ পৰা প্ৰস্থান**

- **স্বেচ্ছামূলক প্ৰস্থান ( ৬০ বছৰ বয়সৰ পূৰ্বেই প্ৰস্থান):** এ.পি.ৱাই একাউন্ট বন্ধ কৰিবলৈ এখন যথোচিতভাৱে পূৰণ কৰা " একাউন্ট ক্ল'জাৰ ফৰ্ম (ভলিউন্তেৰী এক্সিট)" আৰু অন্যান্য প্ৰাসংগিক নথিপত্ৰৰ সৈতে সংশ্লিষ্ট এ.পি.ৱাই-এছ.পি শাখাত জমা দিব লাগিব। প্ৰপত্ৰখন *www.npscra.nsdl.co.in*>> হোম>>অটল পেঞ্চন যোজনা>>ফৰ্মছ>>উইড্ৰ'ৱেল ফৰ্ম>>ভলিউন্টেৰী এক্সিট এ.পি.ৱাই উইড্ৰ'ৱেল ফৰ্মত উপলব্ধ। ই লগতে এ.পি.ৱাই-এছ.পি শাখাতো উপলব্ধ থাকিব। গ্ৰাহকে এ.পি.ৱাই বন্ধ কৰাৰ প্ৰক্ৰিয়া আগবাঢ়িলেও এ.পিৱাইৰ সৈতে সংলগ্ন ছেভিংছ বেংক একাউন্ট বন্ধ কৰিব নালাগে কাৰণ বন্ধ কৰাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'লে গ্ৰাহকে পাবলগীয়া তেওঁলোকৰ ম্যাদ-পূৰ্তিৰ পূৰ্বৰ ধনৰাশিখিনিক এ.পি.আই সংলগ্ন হৈ থকা ছেভিংছ বেংক একাউন্টতে স্থানান্তৰিত কৰা হ'ব আৰু এই একাউন্টখন বন্ধ কৰিলে বন্ধ কৰাৰ প্ৰক্ৰিয়াৰ স্থানান্তৰণত সমস্যাৰ সৃষ্টি কৰিব পাৰে।
- **মৃত্যুৰ বাবে প্ৰস্থান:** দাবীকৰ্তাই যথোচিতভাৱে পূৰণ কৰা 'এ.পি.ৱাই ক্ল'জাৰ ফৰ্ম (ডেথ)" মৃত্য প্ৰমাণপত্ৰৰ সৈতে সংশ্লিষ্ট এ.পি.ৱাই-এছ.পি শাখাত জমা কৰিব পাৰে। প্ৰপত্ৰখন *www.npscra.nsdl.co.in*>> হোম>>অটল পেঞ্চন যোজনা>>ফৰ্মছ>>উইড্ৰ'ৱেল ফৰ্ম>>এ.পি.ৱাই ডেথ ফৰ্মত উপলব্ধ। ই লগতে এ.পি.ৱাই-এছ.পি শাখাতো উপলব্ধ থাকিব।
- <u>৬০ বছৰ বয়সৰ পূৰ্বে এ.পি.ৱাই একাউন্টধাৰীৰ মৃত্য হ'লে</u> তেখেতৰ জীৱন সংগীয়ে গ্ৰাহকগৰাকীৰ অৰিহণা অব্যাহত ৰাখি যোৱাৰ বিকল্প থাকিব, যাক প্ৰকৃত গ্ৰাহকগৰাকীয়ে ৬০ বছৰ বয়সত উপনীত হ'বলৈ অৱশিষ্ট থাকি যোৱা সময়কালৰ বাবে জীৱনসংগীগৰাকীৰ নামত বজাই ৰাখিব পাৰি। জীৱনসংগীগৰাকীয়ে একাউন্টটো চলাই যাব নিবিচাৰিলে তেওঁক এ.পি.ৱাই গ্ৰাহকগৰাকীয়ে কৰা অৰিহণাখিনিৰে জমা হোৱা পেঞ্চনৰ ধন প্ৰত্যৰ্পণ কৰা হ'ব তেওঁৰ অৰিহণাৰ ওপৰত জমা অৰ্জন কৰা সুদৰ সৈতে ( একাউন্ট তত্বাৱধানাৰ মাচুল কৰ্তন কৰাৰ পিছত)।
- <u>৬০ বছৰ বয়সৰ পিছত এ.পি.ৱাই একাউন্টধাৰীৰ মৃত্যু হ'লে</u> মাহেকীয়া নিশ্চিত কৰা পেঞ্চন গ্ৰাহকগৰাকীৰ জীৱনসংগীক পৰিশোধ কৰা হ'ব বা অনুপস্থিতি বা জীৱনসংগীৰ মৃত্যু হ'লে পেঞ্চন প্লেনৰ অনুসৰি জমা হোৱা পেঞ্চনৰ ধনখিনি গ্ৰাহকগৰাকীৰ মনোনীত ব্যক্তিক পৰিশোধ কৰা হ'ব। মনোনীত ব্যক্তিগৰাকী গ্ৰাহকগৰাকীৰ জীৱনসংগীৰ বাহিৰে অন্য কোনোবা হ'ব লাগিব।

**এ.পি.ৱাই মোবাইল এপ্লিকেছন**

- এ.পি.ৱাই মোবাইল এপ্লিকেছন এ.পি.ৱাই গ্ৰাহকৰ বাবে বিনামূলীয়াকৈ উপলভ্য হ'ব য'ত ৫ তা শেহতীয়া অৰিহণা পৰীক্ষা কৰিব পাৰি আৰু লেন-দেনৰ বিবৃতি আৰু e-PRAN যিকোনো সময়ত কোনো ধৰণৰ মাচুল পৰিশোধ নকৰাকৈ ডাউনলোড কৰিব পাৰি। এণ্ড্ৰ'ইড ব্যৱহাৰকাৰীসকলে গুগল প্লে ষ্টোৰত ছাৰ্চ অপছনত 'এ.পি.ৱাই এণ্ড এন.পি.এছ লাইট" টাইপ কৰি ডাউনলোড কৰিব পাৰে।

**এ.পি.ঈৰ অধীনত অভিযোগ উত্থাপন**

- গ্ৰাহকে যিকোনো সময়ত বিনামূলীয়াকৈ যিকোনো স্থানৰ পৰা *www.npscra.nsdl.co.in* >>হোম >> ছিলেক্ট: দৰ্শন কৰি বা চি.জি.এম.এছৰ জৰিয়তে অভিযোগ উত্থাপন কৰিব পাৰে।
- অভিযোগ উত্থাপন কৰা গ্ৰাহকগৰাকীক উত্থাপিত অভিযোগৰ বিপৰীতে এটা টোকেন নম্বৰ দিয়া হ'ব। গ্ৰাহকে অভিযোগটোৰ স্থিতি "চেক দা ষ্টেটাছ অফ গ্ৰীভেঞ্চ / এনকোৱাইৰী অলৰেডী ৰেজিষ্টাৰ্ড"ৰ অধীনত পৰীক্ষা কৰি চাব পাৰে।

এ.পি.ৱাউ ছ'ছিয়েল মীডিয়া পেজৰ লিংক

| **এ.পি.ৱাই ,পি.এফ.আৰ.ডিএ পেজ উপলব্ধ** | **পি. এফ. আৰ. ডি. এ পেজ উপলব্ধ** |
|---|---|
| **ফেচবুক** https://www.facebook.com/OfficialAPY/<br>▪ **এ.পি.আই কি পাঠশালাৰ ইউটিউৰ লিংক -** https://www.youtube.com/channel/UC5SuHg-O6ipH1J_HTfU17ug | ▪ **LINKEDIN** https://www.linkedin.com/in/pfrda-pension-fund-regulator-of- india-051614168/?originalSubdomain=in<br>▪ **YOUTUBE** https://www.youtube.com/channel/UCLMx1eZWY-LDeyIWCwYu15Q<br>▪ **TWITTER** https://twitter.com/pfrdaofficial?lang=en |

**অধিক সৱিশেষৰ বাবে: অনুগ্ৰহ কৰি কল কৰক:**

অটল পেঞ্চন যোজনা হেল্প ডেস্ক (বিনামূলীয়া): ১৮০০ ১১০ ০৬৯

**Please Visit:**

**পি.এফ.আৰ.ডি.এ ৱেবছাইট:** *https://www.pfrda.org.in/*>>NPS>>অটল পেঞ্চন যোজনা>>APY স্কীম ডিটেইলছ, *https://www.pfrda.org.in/*>>NPS>> অটল পেঞ্চন যোজনা >>FAQs

**NSDL ৱেবছাইট:** *www.npscra.nsdl.co.in*>>হোম >> অটল পেঞ্চন যোজনা >>ইন্ট্ৰ'ডাকছন>> APY স্কীম ডিটেইলছ, *www.npscra.nsdl.co.in*>>হোম >> অটল পেঞ্চন যোজনা >>FAQ's>>APY FAQ's

**এ.পি.এছ ট্ৰাষ্ট ৱেবছাইট:** *http://www.npstrust.org.in* >> অটল পেঞ্চন যোজনা >>APYSchemedetails.pdf, *http://www.npstrust.org.in* >> অটল পেঞ্চন যোজনা >>APYFAQs10092015.pdf